# আশাবাদ প্ৰগতিৰ ইন্ধন


**এমুঠিমান মানুহৰ নেতিবাচক চিন্তাই কেতিয়াও স্তব্ধ কৰিব নোৱাৰে মানৱ সভ্যতাৰ উত্তৰণৰ পথ। ইতিহাস সাক্ষী, নেতিবাচক চিন্তাৰে যি উত্তৰণৰ পথ নিৰ্ণয় কৰে, সি সদায়ে ক্ষণস্থায়ী হয়। নেতিবাচক চিন্তাৰ নেতিবাচক ফলেই ভোগ কৰিবলগীয়া হয় আজীৱন।**

❑ জিতুমণি পাঠক

নিতান্তই জীয়াই থকাৰ তাড়নাতেই আমি কোনেও জীয়াই থকা নাই, কঢ়িয়াব লাগিব বুলিয়েই অসহনীয় জীৱনটোক ইতৰ প্ৰাণীৰ দৰে কঢ়িয়াই লৈ ফুৰা নাই। এক প্ৰচ্ছন্ন আশাবাদে ক্ৰিয়া কৰি আছে অহৰহ আমাৰ মনোজগতত। তাকেই সাৰথি কৰি অতীতৰ পংকিলতাৰে লেটি লৈ থকা জীৱনক টানি উলিয়াই অনাৰ অবিৰাম প্ৰচেষ্টাত লিপ্ত হওঁ বৰ্তমানত, বৰ্তমানৰ সামান্য ধূলি-বালিৰ প্ৰলেপ লৈ থকা জীৱনক অধিক স্বচ্ছ-নিৰ্মল ৰূপত দেখাৰ কল্পনা কৰো অনাগত ভৱিষ্যতত। এক নিৰৱচ্ছিন্ন যাত্ৰা, পাথেয় একাঁজলি আশা। তাৰেই ডেউকা সাজি উৰা মাৰো দিগন্তলৈ, উৎকৃষ্টতাৰ সন্ধানত। কেতিয়াবা ডেউকা ভাগি সৰি পৰো তললৈ, বাস্তৱৰ ৰূঢ়তাই ক্ষত-বিক্ষত কৰা দেহটিলৈ। তথাপি মুমূৰ্ষু প্ৰাণতো পুনৰ সৃষ্টি হয় স্পন্দনৰ, আশাই সঞ্চাৰ কৰে প্ৰাণৰ, চকুৰ পতাত ভৰ কৰেহি অলেখ সেউজী সপোনে। এয়েই জীৱন, আশাক সম্বল কৰি যি আগবাঢ়ে অনিৰ্দিষ্ট ভৱিষ্যতলৈ।

আশাবাদ জীৱনৰ আশীৰ্বাদ, মানৱ সভ্যতাৰ প্ৰগতিৰ মূল ইন্ধন। বৰ্তমান যিমানেই সুন্দৰ নহওক কিয় তাক লৈ কোনো সুখী নহয়। আশাই দেখুৱাই ইয়াতকৈও অধিক সুন্দৰ জীৱনৰ স্বপ্ন যিয়ে উদ্বেলিত কৰি তোলে মন। ভৱিষ্যতৰ সেই সুন্দৰ স্বপ্নক বাস্তৱায়িত কৰিবলৈ প্ৰয়োজন মাথোঁ বৰ্তমানত কিছু ত্যাগৰ, কিছু শ্ৰমৰ আৰু এটা সঠিক পথ বাছি লোৱাৰ। আশাক লৈ সৃষ্টি হোৱা ভৱিষ্যতৰ সুন্দৰ স্বপ্নক আমাক বৰ্তমানটোও উপভোগ্য কৰি তোলাত বাধা প্ৰদান কৰে। বৰ্তমানক লৈ সৃষ্টি হোৱা এই অশান্তিয়ে সকলোকে বাধ্য কৰায় এবাৰলৈ হ'লেও প্ৰগতিৰ ৰথখনত ঠেলা এটি মাৰিবলৈ। হাজাৰ কোটি মানুহৰ আশাই ঘূৰাবলৈ আৰম্ভ কৰে মানৱৰ প্ৰগতিৰ ৰথৰ চকৰি। আশাৰ ভৰ যিমানেই বাঢ়ি যায় সেই অনুপাতে ইয়াৰ গতিৰ দ্ৰুততাও বৃদ্ধি পায় অভাৱনীয়ভাৱে। প্ৰস্তৰ যুগৰ গুহাবাসী মানৱৰ পশুসুলভ জীৱনৰ পৰা উত্তৰণৰ আজিৰ, এই ৰূপটিলৈ অতিক্ৰমা দীঘলীয়া পথছোৱাত একমাত্ৰ চালিকাশক্তি আছিল অফুৰন্ত আশাবাদ, উৎকৃষ্টৰ পৰা উৎকৃষ্টতালৈ কৰা সন্ধানৰ ফল।

জৰ্জ এলিয়টে কৈছিল, 'আশাবাদ মানে হ'ল এনে এটা প্ৰত্যয় যে বৰ্তমানটো মোটামুটিভাৱে অতীততকৈ ভাল আৰু আমি যদি চেষ্টা কৰি থাকো, ভৱিষ্যতে বৰ্তমানতকৈ নিশ্চয় ভাল হ'ব।' এই প্ৰত্যয়ে ধৰি ৰাখে জীৱন। অসহনীয় হৈ পৰা জীৱনটোতো সৃষ্টি কৰে জীয়াই থকাৰ উন্মাদনা।



অকল জীয়াই থকাই নহয়, তাক সৰ্বাঙ্গসুন্দৰ কৰি তোলাৰ তাড়না। ৰোপণ কৰে সৃষ্টিৰ ন-ন বীজ। কবি-সাহিত্যিক ব্যস্ত হৈ পৰে কিছুমান আমোঘ শব্দৰ সন্ধানত, চিত্ৰশিল্পীয়ে সপোন ৰচে তেওঁৰ কেনভাছত, সংগীতশিল্পীয়ে সপ্তসুৰৰ মাজত কৰে নতুনত্বৰ সন্ধান। সকলোৰ মনত এটিয়েই আশা, তেওঁলোকে ৰোপণ কৰা বীজ এদিন প্ৰস্ফুটিত হৈ বিশালকায় ৰূপ ধাৰণ কৰিব আৰু তাৰেই শীতল ছায়াত বৈ পাহৰি পেলাব এৰি অহা জীৱনৰ সকলো ক্লেশ।

সভ্যতাৰ দ্ৰুত উত্থানে মানুহক অত্যধিক পৰিমাণে যান্ত্ৰিক কৰি তোলাৰ বাবে মানৱীয় অনুভূতিবোৰো এটা সময়ত নাইকিয়া হৈ যাব নেকি বুলি বহুতে সন্দেহ পোষণ কৰিছে। এই ধাৰণাক সমূলি নসাৎ কৰিব নোৱাৰিলেও ই অধিক চিন্তনীয় বিষয় বুলি ভবাৰ প্ৰয়োজন নাই। মানৱীয় অনুভূতিবোৰৰ প্ৰকাশভঙ্গীৰ যি ৰূপ, সেয়া হয়তো পূৰ্বতকৈও কিছু সলনি হৈছে, কিন্তু পৰিৱৰ্তিত ৰূপ মানেই যে অৱনতিৰ লক্ষণ, এনে ইংগিত কেতিয়াও বহন নকৰে। অন্যান্য মানৱীয় অনুভূতিবোৰৰ দৰে আশাৰ জন্ম হৈছিল পৃথিৱীত প্ৰথমটি মানৱগোষ্ঠী আবিৰ্ভাৱ হোৱাৰ লগে লগে আৰু অনাগত ভৱিষ্যতত পৃথিৱীৰ সমস্ত মানৱকূল ধ্বংস হৈ নোযোৱালৈকে প্ৰত্যেকটি মানৱ মনতে যে ই বৰ্তি থাকিব সেয়া ধ্ৰুৱ। চিন্তনীয়, মানৱ মনৰ এই অনন্য অনুভূতিবো কিছুমান নেতিবাচক দিশক লৈ। এই নেতিবাচক দিশসমূহক নিৰাশাবাদৰ গণ্ডীত পেলাব নোৱাৰি। ইয়াত সংপৃক্ত হৈ থকা কথাটি হ'ল পন্থা। প্ৰতিটো আশাবাদী মনৰ লক্ষ্য হ'ল এক অত্যুজ্জ্বল ভৱিষ্যৎ আৰু সেই লক্ষ্যত উপনীত হ'বলৈ দেখা যায় বহুসময়ত গ্ৰহণ কৰা নেতিবাচক পন্থা। সশস্ত্ৰ সংগ্ৰামী বাহিনীবোৰে এখন নিকা-স্বচ্ছ সমাজৰ কথা কল্পনা কৰি হাতত তুলি লয় বিধ্বংসী অস্ত্ৰ। বহুতো ৰাষ্ট্ৰনেতাই ভয়াৱহ যুদ্ধ এখনৰ প্ৰস্তুতি চলায় বৰ্তমানতকৈ এখন ভাল ৰাষ্ট্ৰ দেশবাসীক উপহাৰ দিবলৈ। বহুতে আকৌ ব্যক্তিগত উত্তৰণৰ স্বাৰ্থত গচকি পিষ্ট কৰি যায় বহু নিৰীহক। প্ৰশ্ন হয়, আত্মহননকাৰী এজনৰ মনতো ক্ৰিয়া কৰে নেকি বৰ্তমানৰ যন্ত্ৰণাক্লিষ্ট জীৱনতকৈ মৃত্যুৰ পিছত লাভ কৰিব পৰা পৰম প্ৰশান্তিৰ জগত এখনৰ স্বপ্নই!

যি কি নহওক, এমুঠিমান মানুহৰ নেতিবাচক চিন্তাই কেতিয়াও স্তব্ধ কৰিব নোৱাৰে মানৱ সভ্যতাৰ উত্তৰণৰ পথ। ইতিহাস সাক্ষী, নেতিবাচক চিন্তাৰে যি উত্তৰণৰ পথ নিৰ্ণয় কৰে, সি সদায়ে ক্ষণস্থায়ী হয়। নেতিবাচক চিন্তাৰ নেতিবাচক ফলেই ভোগ কৰিবলগীয়া হয় আজীৱন। ভৱিষ্যতৰ সুন্দৰ কল্পনাৰ ভেটি যেতিয়া বৰ্তমানৰ সৎ-কৰ্মৰাজিৰ ওপৰত স্থাপিত হ'ব, সি হ'ব তেতিয়া অক্ষয়, শাশ্বত। হাজাৰকাল ধুমুহায়ো ম্লান কৰিব নোৱাৰিব তাৰ অম্লান কীৰ্তি। যেতিয়ালৈ মানৱ মনত সুষ্ঠ এক আশাবাদে ক্ৰিয়া কৰি থাকিব, তেতিয়ালৈ অলেখ সংকুলতাক নেওচিও মানৱ প্ৰগতিৰ নিচান উৰি ৰ'ব দাম্ভিকতাৰে।